**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

-------------

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান সাময়িকভাৱে বন্ধ ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। ন্যায়াধীশ এছ্ কে মেধিৰ আদালতে কালি ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান চলোৱাত স্থগিতাদেশ জাৰি কৰি সমগ্ৰ বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে। উল্লেখযোগ্য যে এই উচ্ছেদক লৈ কেইবাখনো গাঁৱৰ ৰাইজে উচ্চ ন্যায়ালয়ত একাধিক আবেদন দাখিল কৰিছিল। এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই নিৰ্দেশ জাৰি কৰে।

ইপিনে, কালি আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে অঞ্চলটোত উচ্ছেদ অভিযান চলায়। অঞ্চলটোৰ বিদ্যাপুৰ বজাৰত কালি অভিযান চলাই ভালেসংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰা হয়। তদুপৰি সেই এলেকাৰ কেইবাটাও বাসগৃহও উচ্ছেদ কৰা হয়। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উল্লেখযোগ্য যে বন বিভাগ আৰু প্ৰশাসনে অঞ্চলটোত উচ্ছেদ চলাবলৈ সাজু হোৱাৰ সময়ত নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনে এই কাৰ্যৰ বিৰোধিতা কৰিছিল যদিও কালি নগা আৰক্ষী আৰু প্ৰশাসনিক বিষয়াৰ এটা বৃহৎ দলে এই অভিযানত সহযোগ কৰে। অভিযান কালত অসম আৰক্ষী, বন বিভাগ আৰু চি আৰ পি এফৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকি পৰিস্থিতি তদাৰক কৰে।

ইপিনে, মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱতো উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসন সাজু হৈছে।

০০০০০০

ৰাজ্যত চলিত বৰ্ষত হোৱা খৰাং খেতিৰ পৰিস্থিতিৰ পৰা কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে মুখ্য সচিব ড০ ৰবি কোটাই কেইবাটাও বিভাগলৈ গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। মুখ্য সচিবগৰাকীয়ে সকলো জিলাৰ আয়ুক্তক তাৎক্ষণিকভাৱে জলসিঞ্চন আঁচনিসমূহৰ কাৰ্যক্ষমতা পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিছে। বিশেষকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত এনে আঁচনিসমূহ তাৎক্ষণিকভাৱে কাৰ্যক্ষম কৰিবলৈ কোৱা হৈছে। তদুপৰি ড০ কোটাই সংশ্লিষ্ট বিভাগসমূহক পাম্পছেট, ক্ষুদ্ৰ জলসিঞ্চন, নলা-নৰ্দমাৰ ব্যৱস্থা আৰু অন্যান্য জল উৎসসমূহ সক্ৰিয় কৰাৰ বাবে সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে। কৃষকসকলক তাৎক্ষণিকভাৱে যোগান ধৰিব পৰাকৈ কম সময়তে হোৱা ধানৰ বীজ মজুত ৰাখিবলৈও কৃষি বিভাগক মুখ্য সচিবগৰাকীয়ে নিৰ্দেশ দিছে। জিলা কৃষি বিষয়াসকলে বৰষুণৰ পৰিমাণ যথেষ্ট হ্ৰাস হোৱা অঞ্চলসমূহক অগ্ৰাধিকাৰ দি বীজ বিতৰণৰ পৰিকল্পনা কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। আনহাতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়ন আৰু এই আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈও জিলা আয়ুক্তসকলক কোৱা হৈছে। মুখ্য সচিবগৰাকীয়ে দিয়া

নিৰ্দেশনা অনুসৰি বৰষুণৰ পৰিমাণ যথেষ্ট হ্ৰাস পোৱা অথবা খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলা আয়ুক্তসকলে কৃষি, জলসিঞ্চন, পশুচিকিৎসা আৰু পশুপালন বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সৈতে তাৎক্ষণিকভাৱে সমন্বয়মূলক বৈঠক অনুষ্ঠিত কৰিব লাগিব। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই বৈঠকৰ প্ৰতিবেদন কাইলৈৰ ভিতৰত দাখিল কৰিব লাগিব।

oooooo

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গোগামুখৰ ডিৰপাই ইক' কেম্পত আয়োজিত মিছিং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্ৱৰ্তীকালীন সমিতিৰ সাধাৰণ পৰিষদৰ প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহৰ ৰাইজৰ সামগ্ৰিক উন্নয়ন আৰু কল্যাণৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো গঢ় দিয়াত গুৰুত্ব আৰোপ কৰে। বৈঠকত ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱকুমাৰ দলে, জোনাই সমষ্টিৰ বিধায়ক ভুবন পেগু আৰু মাজুলী সমষ্টিৰ বিধায়ক ভুবন গামেও অংশ লয়। বৈঠকত মিছিং স্বায়ত্তশাসিত পৰিষদৰ নৱনিযুক্ত মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু অধ্যক্ষ সুনীল কুমাৰ পেগুৰ লগতে পৰিষদৰ আন আন সদস্যসকলো উপস্থিত থাকে।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বাঘৰ ঘনত্বৰ দিশৰ পৰা বিশ্বৰ ভিতৰত  তৃতীয় ৰূপে পৰিগণিত হৈছে। উদ্যানখনত প্ৰতি এশ বৰ্গ কিলোমিটাৰত ১৮ টা বাঘ পোৱা গৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালক সোণালী ঘোষে প্ৰকাশ কৰা মতে উদ্যানখনত ১৪৮টা প্ৰাপ্তবয়স্ক বাঘ আছে। ইয়াৰে ভিতৰত ৮৩ জনী বাঘিনী আৰু ৫৫ টা বাঘ আছে।

oooooo

শিৱসাগৰ নাট্য বিদ্যালয়ৰ উদ্যোগত কালিৰে পৰা শিৱসাগৰৰ যুৱদলত চতুৰ্দশ সদৌ অসম শিশু নাট সমাৰোহ আৰম্ভ হৈছে। কালি পুৱা অনুষ্ঠানটোত শিৱসাগৰ নাট্য বিদ্যালয়ৰ সভাপতি ডাঃ গোবিন সন্দিকৈ আৰু ৰংপুৰ বাৰ্তাৰ মুখ্য সম্পাদক ব্ৰজেন ফুকনে বন্তি প্ৰজ্বলন কৰে। উজনি অসমৰ ভ্ৰাম্যমান নাট জগতৰ অন্যতম বাটকটীয়া বিশ্ব শইকীয়াৰ সোঁৱৰণত সমাজকৰ্মী দিলীপ চাংমাইয়ে নাট্য মঞ্চৰ উদ্বোধন কৰে। ইয়াৰ পাছতে প্ৰথম দিনাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ বুদ্ধিন মিশ্ৰই শিশুসকলক নাট্য চৰ্চাৰ বাবে এখন মঞ্চ প্ৰদান কৰাৰ বাবে উদ্যোক্তাৰ শলাগ লয়। সমাৰোহৰ সৈতে সংগতি ৰাখি অংকুৰণ শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰা হয়।

সমাৰোহৰ প্ৰথম দিনা কালি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২৫টা নাট্যগোষ্ঠীয়ে নাট প্ৰদৰ্শন কৰে। সমাৰোহ উদযাপন সমিতিয়ে কালি সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত জন সচেতনতাৰ সৃষ্টি কৰা বিশেষজ্ঞ চিকিৎসক ডাঃ সুৰজিত গিৰিক সৌৰভপ্ৰাণ শিৱসাগৰ বঁটা প্ৰদান কৰে। অনুষ্ঠানত সামাজিক, সাংস্কৃতিক আৰু নাট্য জগতলৈ অৱদান আগবঢ়োৱা আন ভালেকেইগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

oooooo

সমাপ্ত